পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

সত্যমেব জয়তে

THE ASSAM GAZETTE

অসাধাৰণ

EXTRAORDINARY

প্ৰাপ্ত কৰ্ত্তৃত্বৰ দ্বাৰা প্ৰকাশিত

PUBLISHED BY THE AUTHORITY

নং 496 দিশপুৰ, শুক্ৰবাৰ, 11 জুলাই, 2025, 20 আহাৰ, 1947 (শক)

No. 496 Dispur, Friday, 11th July, 2025, 20th Ashadha, 1947 (S. E.)

অসম চৰকাৰ

ৰাজ্যপালৰ আদেশ মৰ্মে

প্ৰশাসনীয় সংস্কাৰ, প্ৰশিক্ষণ, অৱসৰী বেতন আৰু ৰাজহুৱা অভিযোগ বিভাগ

অধিসূচনা

দিনাংক ৪ জুলাই, ২০২৫

নং-এ আৰ টি-১৩০১২/২/২০২৪/৩১.- তথ্য জনাৰ অধিকাৰ অধিনিয়ম, ২০০৫ (২০০৫ চনৰ অধিনিয়ম নং ২২) ৰ ধাৰা ২৭ৰ উপ-ধাৰা (২)ৰ খণ্ড (খ) আৰু (গ) ৰ দ্বাৰা প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি, অসমৰ ৰাজ্যপালে ইয়াৰ দ্বাৰা অসম তথ্য জনাৰ অধিকাৰ (মাচুল আৰু ব্যয় বিনিয়ম), নিয়মাৱলী, ২০০৫, ক পৰৱৰ্তী সংশোধন কৰিবলৈ ইয়াৰ পিছত উল্লেখ কৰা ধৰণেৰে নিম্নলিখিত নিয়মাৱলী প্ৰণয়ন কৰিছে, যথা :-

সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ

১। (১) এই নিয়মাৱলী অসম তথ্য জনাৰ অধিকাৰ (মাচুল আৰু ব্যয় বিনিয়ম) (সংশোধন) নিয়মাৱলী, ২০২৫, বুলি অভিহিত হ'ব।

(২) এই নিয়মাৱলী চৰকাৰী ৰাজপত্ৰত প্ৰকাশৰ তাৰিখত বলৱৎ হ'ব।

নিয়ম ৩,৪ আৰু ৫ ৰ সংশোধন

২। মূল নিয়মাৱলীত, নিয়ম ৩, ৪ আৰু ৫ত, শব্দাৱলী "অ-ন্যায়িক মুদ্ৰাঙ্ক" (non-judicial stamp), য'তেই উল্লেখ আছে, ৰ সলনি শব্দ 'ই-মুদ্ৰাঙ্কিত" (e-stamping) প্ৰতিষ্ঠাপিত হ'ব।

দিবাকৰ নাথ মিশ্ৰ

প্ৰধান সচিব, অসম চৰকাৰ,

প্ৰশাসনীয় সংস্কাৰ, প্ৰশিক্ষণ, অৱসৰী বেতন

আৰু ৰাজহুৱা অভিযোগ বিভাগ।

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 991 - 10 + 10 - 11 - 07 - 2025. (visit at– dpns.assam.gov.in)